**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। অসম মন্ত্ৰীসভাৰ বৈঠকত কৰ ফাঁকি ৰোধ আৰু মূল্য সংযোজিত কৰ গাঁথনিক অধিক শৃংখলিত কৰাৰ বাবে সিদ্ধান্ত।

২। ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ সীমান্ত সুৰক্ষা বাহিনীৰ নিৰ্দেশ।

৩। সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য দখলমুক্ত কৰাৰ সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বন বিভাগক নিৰ্দেশ।

৪। যোৰহাটত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন আৰম্ভ। *আৰু*

৫। নাগপুৰত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

oooooo

ৰাজ্যৰ পৌৰ নিগম নিকায়সমূহত অস্থায়ী হিচাপে ২০১৩ চনৰ পূৰ্বৰে পৰা কৰ্মৰত কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাৰ বৈঠকত অসম পৌৰনিগম কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ বিধেয়ক ২০২৫ত অনুমোদন জনোৱা হৈছে। এই বিধেয়কৰ জৰিয়তে ৰাজ্যৰ ৭১ খন পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিবলৈ বিচৰা হৈছে। নিয়মীয়াকৰণৰ পাছত এই কৰ্মচাৰীসকল পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ অধীনস্থ কৰ্মচাৰীত পৰিণত হ'ব আৰু তেওঁলোকৰ চাকৰিৰ বদলিযুক্ত হ'ব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে সদৰি কৰে। অন্য ৰাজ্যৰ পৰা অসমলৈ কৰ ফাঁকি দি সামগ্ৰী অনাটো বন্ধ কৰা আৰু নিৰীক্ষণ কৰাৰ অৰ্থে অসম মূল্য সংযোজিত কৰ সংশোধনী নিয়মাৱলী ২০২৫ৰ খচৰাৰ লগতে অসম মন্ত্ৰীসভাৰ এই বৈঠকত অসম ৰাজহুৱা বিতৰণ সংশোধনী আদেশ ২০২৫ত অনুমোদন জনায়। এই আদেশৰ আধাৰত এতিয়াৰে পৰা সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা পত্ৰ নৱীকৰণৰ ম্যাদ তিনিবছৰৰ পৰা পাঁচবছৰলৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ লগতে বৈঠকত ৰাজ্য বিভিন্ন শিক্ষানুষ্ঠানত কৰ্মৰত অসমীয়া বিভাগৰ শিক্ষকসকলক অসমীয়া মাধ্যমৰ লগতে অন্য মাধ্যমৰ বিদ্যালয়তো নিয়োজিত কৰাৰ বাবে একেটা কেডাৰৰ অধীনলৈ অনাৰ প্ৰস্তাৱত অনুমোদন জনায়। বেচৰকাৰী শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ অধিকাৰ আইনৰ অধীনত আৰ্থিকভাৱে পিছপৰা লোকৰ সন্তানৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণ ব্যৱস্থা প্ৰযোজ্য কৰাৰ অৰ্থে এটা ৱেব প'ৰ্টেল মুকলিৰ প্ৰস্তাৱতো বৈঠকত অনুমোদন জনোৱা হয়। বিটিআৰত উচ্চ শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ নিয়মীয়া বিধিতো বৈঠকে অনুমোদন জনায়।

oooooo

সীমান্ত সুৰক্ষা বাহিনী ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৪ হাজাৰ ৯৬ কিলোমিটাৰজোৰা এলেকাত অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ অঞ্চলটোত নিয়োজিত ক্ষেত্ৰ বিষয়াসকলক নিৰ্দেশ দিছে। বাহিনীটোৱে সেই অঞ্চলৰ বাসিন্দা নাইবা প্ৰতিবেশী ৰাষ্ট্ৰৰ সীমান্ত সুৰক্ষা বাহিনীয়ে কৰা এনে

নির্মাণৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা ল'বলৈও নির্দেশ দিয়ে। উল্লেখযোগ্য যে যোৱা বছৰটোত সীমান্ত অঞ্চলত এনে ৮০ টা অবৈধ নির্মাণৰ ঘটনা পোহৰলৈ আহিছিল। বাহিনীটোৰ উত্তৰ বংগ সীমান্তই প্ৰকাশ কৰা মতে এনে নির্মাণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। সীমান্ত সুৰক্ষা বাহিনীয়ে কালি জাৰি কৰা এটা বিবৃতিত এই বিষয়ে প্ৰকাশ কৰা হৈছে। এই অনুসৰি অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত বাংলাদেশী দুষ্কৃতিকাৰীয়ে ভাৰতৰ সীমান্ত অঞ্চলৰ দক্ষিণ দিনাজপুৰ জিলাৰ মালিকপুৰত যোৱা ৫ ফেব্ৰুৱাৰীৰ নিশা প্ৰৱেশ কৰি সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানৰ ওপৰত আক্ৰমণৰ চেষ্টা চলায়। ইয়াৰ ফলত এজন জোৱান আহত হোৱাৰ লগতে এজন বাংলাদেশী নাগৰিক আহত হয়। এই দুষ্কৃতিকাৰীকেইজনে ভাৰতত মাদকদ্ৰব্যৰ চোৰাং সৰবৰাহ আৰু ডকাইতিৰ অভিসন্ধিৰে প্ৰৱেশ কৰা বুলি বাহিনীটোৰ সূত্ৰই প্ৰকাশ কৰে। এই লোকসকলে বি এছ্ এফৰ জোৱানৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিয়াৰো চেষ্টা চলাইছিল যদিও সফল নহ'ল বুলি সূত্ৰটোত প্ৰকাশ পাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সকলো সীমান্ত সুৰক্ষা গোটকে কঠোৰ সতৰ্কতা অৱলম্বন কৰিবলৈ নির্দেশ দিয়া হৈছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শোণিতপুৰ জিলাৰ সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত থকা অবৈধ দখল আঁতৰোৱাৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখাসহ ৰাজ্য চৰকাৰৰ প্ৰধান মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনক শপতনামা দাখিলৰ নির্দেশ দিছে। আদালতৰ নির্দেশনা অনুসৰি অহা ৬ মাৰ্চত এই শপতনামা দাখিল কৰিব লাগিব। উল্লেখযোগ্য যে সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ বেদখলকে ধৰি কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ক লৈ এটা স্বেচ্ছাসেৱী সংগঠনে উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। বণ্যপ্ৰাণী অভয়াৰণ্যখনৰ ভিতৰত থকা গাঁওসমূহৰ এক বিস্তৃতি জৰীপ চলোৱা হৈছে বুলি শুনানিকালক বন বিভাগে ন্যায়ালয়ক অৱগত কৰে। বন বিভাগৰ এই তথ্যৰ পাছতে উচ্চ ন্যায়ালয়ে প্ৰধান মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনক বেদখল আঁতৰোৱাৰ ৰূপৰেখাসহ শপতনামা দাখিলৰ নির্দেশ দিয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ পথত অগ্ৰসৰ হৈছে বুলি গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। আগৰতলাত কালি ভাৰ্চুৱেল ব্যৱস্থাৰে আয়োজিত নিযুক্তি পত্ৰ বিতৰণৰ কাৰ্যসূচী সম্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এনেদৰে কয়। ত্ৰিপুৰা চৰকাৰে কোনো ধৰণৰ বৈষম্য বা দুৰ্নীতি অবিহনে সম্পূৰ্ণ স্বচ্ছতাৰে চাকৰি প্ৰদান কৰিছে বুলিও তেওঁ মন্তব্য কৰে। যোৱা ১০টা বছৰত নৰেন্দ্ৰ মোদী চৰকাৰে শান্তি স্থাপনৰ উদ্দেশ্যে ত্ৰিপুৰাৰ সৈতে ৩ খন চুক্তি স্বাক্ষৰ কৰে। ত্ৰিপুৰাত সশস্ত্ৰ সংগঠনসমূহ উৎখাত কৰি আত্মসমৰ্পনৰ জৰিয়তে সদস্যকসকলক মূলসুঁতিলৈ ঘূৰাই অনা হৈছে। তেওঁ লগতে কয়, যে স্থায়ী বাসস্থান, শিক্ষা, স্বাস্থ্যসেৱা আৰু চাকৰিৰ সুযোগ প্ৰদান কৰি মোদী চৰকাৰে ব্ৰু-ৰিয়াং জনসাধাৰণৰ জীৱনত ইতিবাচক পৰিৱৰ্তন আনিছে। ইয়াৰ পূৰ্বে অশান্ত আৰু দুৰ্নীতিগ্ৰস্ত হিচাপে পৰিগণিত ৰাজ্যখন বৰ্তমান উন্নয়নৰ দিশলৈ গতি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক পুৰাতত্ব আইনৰ অধীনত এতিয়াও সংৰক্ষিত কীৰ্তিচিহ্ন হিচাপে স্বীকৃতি নোপোৱা আৰু সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ নকৰাকৈ বিভিন্ন স্থানত থকা আহোম ৰাজত্বকালৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহ চিনাক্তকৰণ প্ৰক্ৰিয়া ছমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নির্দেশ দিছে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুই আৰু ন্যায়াধীশ সুমন শ্যামৰ বিচাৰপীঠে এই নির্দেশ জাৰি কৰিছে। উল্লেখযোগ্য

যে ৰাজ্যৰ ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ স্থানত হোৱা বেদখল প্ৰসংগত গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গ্ৰহণ কৰিছিল।

০০০০০০

যোৰহাটত আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন আৰম্ভ হৈছে। জিলাখনৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনথলী অসমৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱৰ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। আজি পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপন কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হৈছে। পৰহিলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে। আজি নামঘৰৰ তোৰণ উন্মোচন, মূল সমিতিৰ কাৰ্যনিৰ্বাহক, প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন আৰু গ্ৰন্থমেলা মুকলি কৰা হ'ব। দিনৰ ভাগত মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। পৰহিলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালিৰেপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ অনুষ্ঠিত হৈছে। কালি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডº জিতেন হাজৰিকাই মহোৎসৱ উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ ৰংঘৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডº হাজৰিকাই সমবেত লেখক-সাহিত্যিকসকলৰ প্ৰতিভা অভিজ্ঞতা আৰু উপলব্ধিয়ে ছাত্ৰ সমাজক উপকৃত কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশ লৈ বিশিষ্ট সাহিত্যিক ডº নগেন শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আয়োজিত এই সাহিত্য মহোৎসৱে ছাত্ৰসকলৰ লগতে উদীয়মান লেখকসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত ইন্ধন যোগাব বুলি আশা প্ৰকাশ কৰে। আফ্ৰিকাৰ সাহিত্যিক টেটে মিচেল কেপামাচিয়ে অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে অংশ লৈ তেওঁৰ অভিজ্ঞতা আৰু উপলব্ধি ছাত্ৰ সমাজৰ আগত দাঙি ধৰে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ আয়োজিত মহোৎসৱত ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ কমেও ১২০ গৰাকী লেখক-সাহিত্যিকে অংশ লৈছে। মহোৎসৱৰ আটাইকেইটা দিনত কমেও ৫০ খন আলোচনা সত্ৰ আৰু কৰ্মশালা অনুষ্ঠিত হ'ব।

০০০০০০

গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক, পৰিৱেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীক কৰ্ণাটকৰ ছেদামত আয়োজিত ভাৰতীয় সংস্কৃতি উৎসৱত ভাৰত গৌৰৱ সন্মানেৰে সন্মানিত কৰা হয়। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে শ্ৰী গোস্বামীক এই সন্মান প্ৰদান কৰা হৈছে। যোৱা ৩ ফেব্ৰুৱাৰীৰ পৰা কৰ্ণাটকত অনুষ্ঠিত এই উৎসৱত ভাৰত গৌৰৱ সন্মানেৰে সন্মানিত গোস্বামীয়ে নুমলীগড়ৰ দেওপাহাৰ সংৰক্ষণকে ধৰি সিংহাসন পাহাৰ, নুমলীগড়ৰ কালিয়নী, দৈয়াং সংৰক্ষণৰ লগতে অবৈধ শিল-বালি খননৰ বিৰুদ্ধে কাম কৰি

আছে। দিহিং পাটকাই সংৰক্ষণৰ লগতে ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি প্ৰদান কৰাৰ ক্ষেত্ৰতো তেওঁ শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

ধেমাজিত কাইলৈৰ পৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ২০১৭ চনত ডিব্ৰুগড়ত গঠন হোৱা সোণোৱাল কছাৰী সাহিত্য সভাই জনগোষ্ঠীটোৰ সমাজ, ভাষা-সংস্কৃতিকে ধৰি বিভিন্ন দিশত উত্তৰণৰ বাবে প্ৰয়াস কৰি আহিছে। অধিৱেশনৰ অংশ হিচাপে সোণোৱাল কছাৰী সকলৰ পৰম্পৰাগত গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী আৰু খাদ্য মেলা উদ্বোধন, সাহিত্য প্ৰতিযোগিতা, আলোচনাচক্ৰকে ধৰি কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০

ৰাজ্য চৰকাৰ দ্বাৰা আয়োজিত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে জিলা প্ৰশাসনৰ সহযোগত নগাঁও জিলা পুথিভঁৰালত আজি এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পাল মুখ্য অতিথি হিচাপে এই কৰ্মশালাত উপস্থিত থাকিব। কৰ্মশালাখনত উদ্যোগী, ব্যৱসায়ী, আগ্ৰহী বিনিয়োগকাৰী, ব্যৱসায়িক প্ৰতিষ্ঠান আত্মসহায়ক গোট আদি সংগঠনৰ সদস্যসকলে অংশ ল'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত শনিবাৰে নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণৰ বাবে বিধেয়কত অনুমোদন জনোৱাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে **এহেজাৰ ৪৪ কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প্ৰায় ৬০ দশমিক ৪-২ শতাংশ ভোটদানেৰে ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি সন্ধিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। ভোটগ্ৰহণ সমাপ্তিৰ পাছতে বিভিন্ন সংস্থাই প্ৰকাশ কৰা এগজিট প'লৰ ফলাফলে ২৭ বছৰীয়া প্ৰতীক্ষাৰ অন্ত পেলাই দিল্লীত এইবাৰ বিজেপিয়ে জয়লাভ কৰিব বুলি সম্ভাৱনা স্পষ্ট কৰাৰ বাতৰিটোক **অসমীয়া খবৰ** কাকতে **দিল্লীত ২৭ বছৰীয়া বনবাসৰ অন্ত পেলাব বিজেপিয়ে** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম** আৰু **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে যোৱা ২০ জানুৱাৰীত ড'নাল্ড ট্ৰাম্পে দ্বিতীয়বাৰলৈ শপতগ্ৰহণ কৰাৰ পাছত অবৈধ আবাসী বুলি অভিহিত কৰি মূলতঃ ভাৰতীয় নাগৰিকসকলক দেশখনৰ পৰা বিতাড়িত কৰিবলৈ পদক্ষেপ লোৱাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে **কলম্বিয়াই উভতালে, ভাৰতে আদৰিলে** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে। একেটা বাতৰিৰ **দি আছাম ট্ৰিবিউন** বাতৰি কাকতৰ শিৰোনাম **US**

**AIRCRAFT WITH 104 DEPORED INDIANS LANDS IN AMRITSAR।**

চৰকাৰী শিক্ষানুষ্ঠানত শিক্ষাৰ্থীৰ পুষ্টি সাধনৰ বাবে পি এম পোষণৰ অধীনত থকা মধ্যাহ্ন ভোজনৰ তালিকাত চাউলৰ গুড়ি, ৰাগী গুড়ি, চৰ্বিবিহীন ছয়াবিন, হালধি, নিমখ, দালচেনি পাউদাৰ আৰু গুড়ৰ মিশ্ৰনেৰে প্ৰস্তুত কৰা এবিধ বিশেষ পানীয় অন্তৰ্ভুক্ত কৰা হৈছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বাজেট প্ৰস্তাৱৰ জৰিয়তে অসমৰ বান আৰু খহনীয়া সমস্যা সমাধানৰ বিশেষ পেকেজৰ প্ৰতিশ্ৰুতি দিও কাৰ্যকৰী নকৰাৰ বাতৰিটোক **দৈনিক অসম** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি মহাৰাষ্ট্ৰৰ নাগপুৰত হ'ব। বিধৰ্ভ ক্ৰিকেট এছ'ছিয়েচন ষ্টেডিয়ামত দিনৰ ১ বাজি ৩০ মিনিটত খেলখন আৰম্ভ হ'ব।

oooooo

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নৱম দিন পৰ্যন্ত অসমৰ পদক সংখ্যা ২০টা বৃদ্ধি হৈছে। ল'ৰা-ছোৱালীৰ ২৫ বছৰ অনূৰ্ধ শাখাত দুই নৱাগত লনবল খেলুৱৈ বিতু দাস, সুৰঞ্জনা বৰুৱাৰ লগতে পুৰুষৰ ডাবলছত বিমান নাথ আৰু বিশ্বজিৎ খাউণ্ডে ৰূপৰ পদক লাভ কৰে। লনবলৰ বাকী থকা ৪টা ইভেণ্টৰ খেল আজি অনুষ্ঠিত হ'ব। কালি অসমৰ চাৰিগৰাকী বক্সাৰে নিজৰ নিজৰ ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আন এগৰাকী তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়েও নিজৰ বক্সিং ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বক্সাৰ অঙ্কুশিতা বড়োৱে হিমাচল প্ৰদেশৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে মহিলা বক্সাৰ আইকন মিলিয়ে দিল্লীৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেফাইনেলত প্ৰৱেশ কৰিছে।

oooooo

ইণ্ডিয়ান ছুপাৰ লীগ, আই এছ এল ফুটবল প্ৰতিযোগিতাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত যোৱা নিশা অনুষ্ঠিত এখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টে, পঞ্জাৱ এফ চিক ৩-০ গ'লত পৰাস্ত কৰে। এই জয়ৰ সুবাদত দলটো সৰ্বমুঠ ৪৬ পইণ্টেৰে প্লে অফলৈ যোগ্যতা অৰ্জন কৰা প্ৰথম দল হিচাপে পৰিগণিত হৈছে। মোহন বাগানাৰ জেমি মেকলাৰেনে খেলখনৰ দ্বিতীয়াৰ্ধত দুটা গ'ল আৰু লিষ্টন কোলাকোৱে এটা গ'ল দিয়ে। প্ৰতিযোগিতাত আজি গোৱাৰ জৱাহৰলাল নেহৰু ষ্টেডিয়াত এফ চি গোৱা আৰু ওড়িশা এফ চি মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এফ চি গোৱাই শেহতীয়াকৈ জামছেদপুৰ এফ চিৰ হাতত পৰাজিত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰ খেলখনত জয়লাভ কৰাৰ প্ৰচেষ্টা চলাব।

ooooo

৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি সন্ধিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। ভোটদানৰ হাৰ প্ৰায় ৬০ দশমিক ৪-২ শতাংশ। উত্তৰ-পূব দিল্লী জিলাত সৰ্বাধিক ৬৬ দশমিক ২-৫ শতাংশ ভোটদানৰ হাৰ পোৱাৰ বিপৰীতে দক্ষিণ-পূব দিল্লীত সৰ্বনিম্ন ভোটদানৰ হাৰ ৫৬ দশমিক ১-৬ শতাংশ। শ্বাহদাৰা জিলাত

ভোটাৰৰ হাৰ ৬৩ দশমিক ৯-৪ শতাংশ, উত্তৰ দিল্লীত ভোটদানৰ হাৰ প্ৰায় ৫৯ দশমিক ৫-৫ শতাংশ আৰু উত্তৰ-পশ্চিম দিল্লীত ভোটাৰৰ হাৰ প্ৰায় ৬০ দশমিক ৭ শতাংশ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত